# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-04-2025
**Time:** 1340 Hrs

## *Assamese Midday Bulletin*
## *Headlines*

***- - - - - - - - - - - - - -***

১। এদিনীয়া ভ্ৰমণসূচীৰে হাৰিয়ানা ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ হিছাৰ বিমান বন্দৰৰ ২ নম্বৰ টাৰ্মিনেল ভৱনৰ আধাৰশিলা স্থাপন কৰে।

২। অসমত আজি কৃষিভিত্তিক লোক উৎসৱ ৰঙালী বিহুৰ উদযাপন আৰম্ভ হৈছে। আজি বিহুৰ প্ৰথম দিনটো অৰ্থাৎ চ'তৰ সংক্ৰান্তিৰ দিনা ৰাইজে গৰু বিহু উদযাপন কৰিছে।

৩। আজি সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ জয়ন্তী। এই উপলক্ষে ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ড০ আম্বেদকাৰলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। ***আৰু***

৪। আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া লক্ষ্ণৌৰ ইকানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

এদিনীয়া ভ্ৰমণসূচীৰে হাৰিয়ানা ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ হিছাৰ বিমান বন্দৰৰ ২ নম্বৰ টাৰ্মিনেল ভৱনৰ আধাৰশিলা স্থাপন কৰে। তেওঁ হিছাৰৰ পৰা অযোধ্যালৈ চলাচল কৰিবলগীয়া বাণিজ্যিক বিমান সেৱাৰো পতাকা জোকাৰি শুভাৰম্ভ কৰে। হিছাৰত ৪১০ কোটিৰো অধিক টকাৰ ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া নতুন টাৰ্মিনেল প্ৰকল্পত যাত্ৰীসকলৰ বাবে অত্যাধুনিক সা-সুবিধা থকাৰ উপৰি সা-সামগ্ৰী ৰখাৰ ব্যৱস্থা আৰু এটা এয়াৰ ট্ৰেফিক নিয়ন্ত্ৰণ ভৱন থাকিব। এই উপলক্ষে অনুষ্ঠিত এখন জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে বিস্তৃত বিকাশৰ বাবে থকা বিজেপিৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ কয় যে হাৰিয়ানাৰ দলিত, দৰিদ্ৰ আৰু পিছপৰা সম্প্ৰদায় সমূহৰ দ্ৰুতবিকাশৰ বাবে বিজেপিয়ে কাম কৰি আছে। আজি সংবিধান প্ৰণেতা বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰৰ জয়ন্তী। প্ৰধানমন্ত্ৰীয়ে ড০ আম্বেদকাৰলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে আম্বেদকাৰৰ জয়ন্তী সমাজৰ দলিত আৰু পিছপৰা শ্ৰেণীৰ বাবে দীপাৱলী হিচাপে বিবেচিত হৈছে। বাবা চাহেবৰ মন্ত্ৰৰে দীক্ষিত হৈ শ্ৰীকৃষ্ণৰ ভূমিৰ পৰা শ্ৰীৰামচন্দ্ৰৰ অযোধ্যালৈ বিমান সেৱাৰ শুভাৰম্ভ কৰা হৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত হাৰিয়ানাই আন্তৰিকতাৰে কাম কৰি থকাৰ কথাই তেওঁক গৌৰৱান্বিত কৰি তুলিছে। ভাৰতত ২০১৪ চনৰ পূৰ্বে মাত্ৰ ৭৪ টা বিমান বন্দৰহে আছিল বুলি উল্লেখ কৰি তেওঁ কয় যে এই সংখ্যাই এতিয়া ১৫০ অতিক্ৰম কৰিছে। হাজাৰ হাজাৰ ভাৰতীয়ক প্ৰথমবাৰৰ বাবে বিমান ভ্ৰমণৰ আনন্দ দিয়া কেন্দ্ৰৰ উড়ান আঁচনিৰ সাফল্যতো প্ৰধানমন্ত্ৰীয়ে আলোকপাত কৰে।

অনুষ্ঠানৰ ভাষণ দি হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং ছাইনীয়ে কয় যে আজি শুভাৰম্ভ হোৱা বিমান সেৱাই অঞ্চলটোৰ বাণিজ্য, পৰ্যটন আৰু বিনিয়োগৰ ক্ষেত্ৰখনক লাভান্বিত কৰিব।

প্ৰধানমন্ত্ৰীয়ে আজি ৰাজ্যখনৰ যমুনা নগৰত এহেজাৰ কোটিৰো অধিক টকাৰ ব্যয় সাপেক্ষ ৮০০ মেগাৱাট শক্তিসম্পন্ন দীনবন্ধু চোটুৰাম তাপবিদ্যুৎ প্ৰকল্প, মুকাৰাবপুৰৰ জৈৱ গেছ্ প্ৰকল্প আৰু ভাৰত মালা প্ৰকল্পৰ অধীনত ১৪ কিলোমিটাৰৰো বেছি দৈৰ্ঘ্যৰ ৰেৱাৰী বাইপাছ্ প্ৰকল্পকে ধৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে আয়োজিত জনসভাতো তেওঁ ভাষণ দিব।

ooooo

অসমত আজি কৃষিভিত্তিক লোক উৎসৱ ৰঙালী বিহুৰ উদযাপন আৰম্ভ হৈছে। আজি বিহুৰ প্ৰথম দিনটো অৰ্থাৎ চ'তৰ সংক্ৰান্তিৰ দিনা ৰাইজে গৰু বিহু উদযাপন কৰিছে। পুৱাতে মাহ, হালধিৰে গৰুক নোৱাই, কপালত ফোট দি ওচৰৰ নৈ-বিল বা পুখুৰীলৈ নি গা ধুওৱা হয়। তাৰপাছত গৰুৰ গালৈ লাও, বেঙেনা, থেকেৰা, হালধি আদি দলিয়াই গৰুৰ শ্ৰীবৃদ্ধি কামনা কৰা হয়। বিয়লি ঘৰলৈ উভতি অহাৰ সময়ত গৰুক পদুলিত আৰু গোহালিৰ সন্মুখত জাগ দি দীঘলতি-মাখিয়তিৰ ঠানিৰে কোবাই তৰাৰ গছেৰে প্ৰস্তুত কৰা বিশেষ ৰছী ডিঙিত আঁৰি নতুন পঘাৰে গোহালিত বন্ধা হ'ব। বহু ঠাইত গৰুক জাতি লাও আৰু পিঠাগুৰিৰে বনোৱা লাও পিঠা খুওৱা হয়।

কাইলৈ ব'হাগৰ পহিলা দিনটো মানুহ বিহু হিচাপে উদযাপন কৰা হ'ব। কাইলৈৰ পৰা অসমীয়া নৱবৰ্ষ আৰম্ভ হ'ব। মানুহ বিহুৰ দিনা সৰুৱে ডাঙৰক সেৱা কৰি আশীৰ্বাদ লোৱাৰ লগতে প্ৰিয়জনক বিহুৱান উপহাৰ দিয়াৰ প্ৰথা চলি আহিছে। ৰঙালী বিহু চ'তৰ সংক্ৰান্তিৰ পৰা আৰম্ভ হৈ ব'হাগৰ ছদিনলৈ উদযাপন কৰা হয়। বিহুৰ কেইদিন সকলোৱে আনন্দৰে বিহু নাম, বিহু নাচ আদিত অংশগ্ৰহণ কৰে। উজনি অসমত ঘৰে ঘৰে গৈ ৰাইজে হুঁচৰি মাৰি গৃহস্থক আশীৰ্বাদ দিয়ে।

oooooo

আজি সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ জয়ন্তী। এই উপলক্ষে দেশবাসীলৈ প্ৰেৰণ কৰা এটা শুভেচ্ছা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে বিপৰ্যয়ৰ মাজতো বাবা চাহেব আম্বেদকাৰে এটা সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল আৰু তেওঁৰ বিশ্বজুৰি সন্মান লাভ কৰিছে। বাবা চাহেব আম্বেদকাৰ এগৰাকী বহুমুখী ব্যক্তিসম্পন্ন তথা অৰ্থনীতিবিদ, শিক্ষাবিদ হোৱাৰ লগতে এগৰাকী মহান সমাজ সংস্কাৰক আছিল বুলিও শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। আম্বেদকাৰৰ আদৰ্শই দেশৰ জনসাধাৰণক অনুপ্ৰাণিত কৰি অহাৰ লগতে ভৱিষ্যত প্ৰজন্মকো ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰেৰণা যোগাব বুলি শ্ৰীমতী মুৰ্মুৱে আশা প্ৰকাশ কৰে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ড০ বি আৰ আম্বেদকাৰৰ জন্ম দিৱসত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ আম্বেদকাৰৰ প্ৰেৰণাৰ বাবে দেশখনে সামাজিক ন্যায়ৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত নিষ্ঠাৱানভাৱে নিয়োজিত হৈছে। তেওঁ লগতে আম্বেদকাৰৰ নীতি আৰু আদৰ্শই স্বাৱলম্বী তথা উন্নত ভাৰতৰ সৃষ্টিত গতি প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে।

oooooo

দ্বীপ ৰাষ্ট্ৰ ফিজিৰ দক্ষিণ অংশত আজি পুৱা ৬ দশমিক ৩ ৰিখটাৰ স্কেল প্ৰাৱল্যৰ এটা ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ৰাষ্ট্ৰীয় ভূতাত্ত্বিক কেন্দ্ৰৰ তথ্য অনুসৰি ভূমিকম্পটোৰ অভিকেন্দ্ৰ ভূপৃষ্ঠৰ ১০ কিলোমিটাৰ তলত আছিল। ভূমিকম্পটোৰ ফলত হোৱা ক্ষয়ক্ষতিৰ বাতৰি এই পৰ্যন্ত অহা নাই। ভূমিকম্পৰ পাচত ছুনামিৰ সতৰ্কতাও জাৰি কৰা হোৱা নাই।

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **গ্ৰীষ্ম প্ৰবাহৰ সময়ত ল'বলগীয়া সাৱধানতা** সন্দৰ্ভত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বিজ্ঞানী ড০ আৰ কে জেনামানী আৰু লেডী হাৰ্ডিন চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ অধ্যাপক ড০ অনুপম প্ৰকাশৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি গ্ৰীষ্ম প্ৰবাহৰ কাৰণ, ইয়াৰ ফল আৰু এই সন্দৰ্ভত ল'বলগীয়া সাৱধানতাৰ বিষয়ে সমল ব্যক্তি দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰাৰ লগতে সামাজিক মাধ্যম **এক্সত, হেছটেগ AskAir** ৰ জৰিয়তেও প্ৰশ্ন সুধিব পাৰিব।

০০০০০

ভাৰতীয় তথ্য সেৱা, আই আই এছ বিষয়া পাৰ্থ ঘোষৰ আজি পুৱা মৃত্যু হয়। যোৱা কিছুদিন ধৰি তেওঁ পাণ্ডুৰোগ আৰু অন্যান্য কেতবোৰ শাৰীৰিক অসুবিধাত ভুগি আছিল। তেওঁ পি আই বি, আকাশবাণী কলকাতা, কলকাতা দূৰদৰ্শন কেন্দ্ৰ আৰু চি বি চিত  কাৰ্যনিৰ্বাহ কৰিছিল। যোৱা বছৰ ডিচেম্বৰত তেওঁ অৱসৰ গ্ৰহণ কৰিছিল।

০০০০০

আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া লক্ষ্ণৌৰ ইকানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিজৰ ছয়খন খেলৰ চাৰিখনত জয়লাভ কৰি পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। ইয়াৰ বিপৰীতে চেন্নাই ছুপাৰ কিংছ নিজৰ ছখন খেলৰ মাত্ৰ এখনতহে জয়ী হৈছে আৰু পইণ্ট তালিকাৰ একেবাৰে শেষত আছে।

যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ১২ ৰানত দেলহী কেপিটেলছক পৰাস্ত কৰে। প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে ৫ উইকেটৰ বিনিময়ত ২০৫ ৰান কৰে। দলটোৰ হৈ তিলক বাৰ্মাই ৩৩ টা বলত ৫৯ ৰান কৰে। প্ৰত্যুত্তৰত দেলহি কেপিটেলছে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৯৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ কৰুণ নায়াৰে ৪০ টা বলত ৮৯ ৰান সংগ্ৰহ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ তিনিটা উইকেট দখল কৰা কৰ্ণ শৰ্মাক প্লেয়াৰ অফ দা মেচ ঘোষণা কৰা হয়।

কালি জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ৰয়েল চেলঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে খেলি ৰাজস্থান ৰয়েলছ ৯ উইকেটত পৰাস্ত হয়। জয়ৰ বাবে ৰাজস্থান ৰয়েলছে ১৭৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল আৰু ৰয়েল চেলঞ্জাৰ্ছ বেংগালুৰুৱে ১৭ অভাৰ ৩টা বলতে মাত্ৰ ১টা উইকেট হেৰুৱাই ১৭৫ ৰান কৰি বিজয় সাব্যস্ত কৰে।

০০০০০০

ছুডানৰ গৰফুৰ অঞ্চলত এতিয়াও ছুডান সেনাৰ অধীনত থকা শেষৰখন বৃহৎ মহানগৰ এ ফাশ্বাৰৰ আশে-পাশে থকা শিবিৰত অৰ্ধসামৰিক বাহিনীয়ে কৰা আক্ৰমণত ২০০ৰো অধিক লোকৰ মৃত্যু হয়। উল্লেখযোগ্য যে এই আক্ৰমণত মৃত্যু হোৱা লোকৰ ভিতৰত ৫৬ গৰাকী সাধাৰণ নাগৰিক। ৰাষ্ট্ৰসংঘই জনোৱা মতে দুটা বৃহৎ শৰণাৰ্থী কেন্দ্ৰত এতিয়াও আক্ৰমণ সংঘটিত হৈ আছে। উল্লেখযোগ্য যে এইসকল লোকে শিবিৰৰ ভিতৰত থকা একমাত্ৰ চিকিৎসালয়খন পৰিচালনা কৰিছিল। আমেৰিকাই দুয়োপক্ষক গৰিহণা দি আৰ এছ্ এফে দাৰফুলত নৰসংহাৰ কৰাৰ লগতে সেনাই সাধাৰণ নাগৰিকক আক্ৰমণ কৰাৰ কৰা প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই সংঘৰ্ষই ছুডানক দুটা ভাগত বিভাজিত কৰে। উত্তৰ আৰু পূব প্ৰান্তৰ সেনাৰ আধিপত্য বিস্তাৰিত হৈ থকাৰ বিপৰীতে আৰ এছ্ এফৰ অধীনত দাৰফুলৰ অধিকাংশ অঞ্চলৰ লগতে দক্ষিণৰ কিছু অংশত আধিপত্য বিস্তাৰ হৈ আছে।

০০০০০০

সমাপ্ত